# ৰুক্মিণীৰ প্ৰেমপত্ৰ

★ ৰুক্মিণীয়ে শ্ৰীকৃষ্ণলৈ প্ৰেৰণ কৰা পত্ৰখনৰ পৰা নাট্যকাৰে আৰোপ কৰা ভক্তিৰসৰ প্ৰসংগ আঁতৰাই ৰাখিলে ই এখন সম্পূৰ্ণ প্ৰেমপত্ৰ হৈ পাৰে আৰু সেই ফালৰপৰা চালে এইখন অসমীয়া সাহিত্যৰ প্ৰথম প্ৰেমপত্ৰ।

শংকৰদেৱে 'ৰুক্মিণী হৰণ' নাটত সন্নিবিষ্ট কৰা ৰুক্মিণীৰ প্ৰেমপত্ৰ খনৰ অসমীয়া ভাঙনি-

"হে স্বামী, ভিক্ষুকৰ মুখত তোমাৰ গুণ-ৰূপৰ কথা শুনি তোমাক মই পতিৰূপে বৰণ কৰিছোঁ। তথাপি সিংহিনীক ধৰিবলৈ শিয়ালে লোভ দি থকাৰ দৰে পাপী শিশুপালে মোক বিবাহ কৰিবলৈ আহিছে। তাকে দেখি এক দণ্ডকে এযুগ যেন লাগিছে। সেয়ে, হে স্বামী, এই দাসীক ইয়াৰ পৰা সোনকালে লৈ যোৱাহি। যদি কোৱা, "তুমি অন্তঃপুৰত থাকা, মই কেনেকৈ লগ পাম? তেন্তে ইয়াৰ উপায় কওঁ, শুনা। বিবাহৰ আগদিনা মই দেৱী ভৱানীৰ মন্দিৰলৈ যাম; সেই সময়তে মোক হৰি লৈ যোৱাহি। তুমি অৱহেলা কৰি নাহিলে তোমাক বধ দি মই প্ৰাণত্যাগ কৰিম। পাপী শিশুপালৰ ছাঁটোকো মই কেতিয়াও ভৰিৰে স্পৰ্শ নকৰোঁ, হে নাথ, এই কথা জানি এই দীন দাসীক উদ্ধাৰ কৰা...।"

★ উল্লেখনীয় যে শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীয়ে ইজনে সিজনৰ গুণ আৰু ৰূপ-লাৱণ্যৰ কথা শুনি প্ৰেমত আকুল হোৱা মানসিক অৱস্থাটো সূত্ৰধাৰৰ কথা আৰু চৰিত্ৰ দুটাৰ স্বগতোক্তিৰ মাধ্যমেৰে প্ৰকাশ ঘটোৱাৰ লগতে নৃত্য আৰু গীতৰ মাধ্যমতো প্ৰকাশ ঘটোৱাৰ চেষ্টা নাট্যকাৰে কৰিছে।

উৎস:- শংকৰদেৱৰ নাট-ভাওনা — ড° পোনা মহন্ত